অসম

‘পুলিচে হিন্দু-মুছলিম চাই গুলী নচলায়’—কংগ্রেছক প্রত্যুত্তৰ মুখ্যমন্ত্রীৰ

আৰক্ষীয়ে হিন্দু-মুছলমানৰ ধর্মীয় পৰিচয় চাই গুলীচালনা নকৰে বুলি দাবী কৰি কংগ্রেছক অপপ্রচাৰৰ অভিযোগেৰে সমালোচনা কৰে মুখ্যমন্ত্রীয়ে।

প্রকাশ: ৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৯



(social media)

গুৱাহাটী, ৯ নৱেম্বৰ, ২০২৬:

‘পুলিচে হিন্দু-মুছলিম চাই গুলী নচলায়, এইকেইদিনতে সকলোৱে দেখিছে।’ উচ্ছেদ অভিযান আৰু আৰক্ষীৰ ভূমিকা সন্দর্ভত কংগ্রেছে উত্থাপন কৰা অভিযোগৰ প্রত্যুত্তৰ দি এই মন্তব্য কৰিছে মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই।

মুখ্যমন্ত্রীৰ দাবী, আৰক্ষীয়ে কোনো ব্যক্তিৰ ধর্মীয় পৰিচয় চাই ব্যৱস্থা গ্রহণ নকৰে। আৰক্ষীক আক্রমণ কৰাৰ পৰিণাম আৰক্ষীয়ে নিজাববীয়াকৈ দিছে বুলি মন্তব্য কৰি তেওঁ কয় যে মুছলমান হ’লেই গুলীচালনা কৰা হ’ব আৰু হিন্দু হ’লে কৰা নহ’ব, এনে কোনো কথা নাই। সকলোৰে ক্ষেত্রতে একে ব্যৱস্থা গ্রহণ কৰা হৈছে বুলিও দাবী

কৰে মুখ্যমন্ত্রীয়ে।

কংগ্রেছৰ বিৰুদ্ধে সমালোচনা কৰি মুখ্যমন্ত্রীয়ে কয়, ‘কংগ্রেছে ইমান অপপ্রচাৰ কৰি লাভ নাই। মুছলমানসকলক লৈ এনে অপপ্রচাৰ কৰি একো লাভ নাই। সকলোৰে লগতেই একেই হৈছে।’

ইয়াৰ লগতে কংগ্রেছক কটাক্ষ কৰি তেওঁ কয়, ‘কংগ্রেছে মানুহখিনিক ইমান ভাল পালে পট্টা দি যাব লাগিছিল।’

উচ্ছেদ অভিযানৰ সময়ত আৰক্ষীৰ গুলীচালনা আৰু বল প্রয়োগক লৈ কংগ্রেছে প্রশ্ন উত্থাপন কৰি অহাৰ পৰিপ্রেক্ষিতত মুখ্যমন্ত্রীৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক বিতর্কক পুনৰ চর্চালৈ আনিছে।

মুখ্যমন্ত্রীয়ে নিজৰ বক্তব্যত আৰক্ষীৰ পদক্ষেপ ধর্মনির্বিশেষে একে বুলি দাবী কৰাৰ লগতে কংগ্রেছৰ পূর্বৰ শাসনকালত ভূমিৰ পট্টা প্রদানৰ বিষয়টোও উত্থাপন কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1532/himanta-biswa-sarma-congress-eviction-police-firing-patta